**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ০০১/২০২০**

**৩য় খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ শিখা দৌৰ**

**তেজপুৰ, ৬ জানুৱাৰী:** অহা ১০ জানুৱাৰীৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া তৃতীয় খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে আৰম্ভ কৰা শিখা দৌৰ কেইবাখনো জিলাৰ মাজেৰে আহি আজি তেজপুৰত উপস্থিত হয় । আন্তঃৰাষ্ট্ৰীয় সন্তৰণবিদ এলভিচ আলি হাজৰিকাৰ নেতৃত্বত অহা এটি দলে এই উপলক্ষে তেজপুৰৰ প'ল' ফিল্ডত আয়োজন কৰা এক অনুষ্ঠানত অংশগ্ৰহণ কৰে ।

শোণিতপুৰ জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে এই অনুষ্ঠান মুকলি কৰি দৌৰত অংশগ্ৰহণ কৰাৰ লগতে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ বিষয়ে সাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে । আজিৰ অনুষ্ঠানত জিলা ক্ৰিড়া বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ লগতে বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াকলেও অংশগ্ৰহণ কৰে । ইয়াৰ পাছতেই দলটি বিশ্বনাথ জিলাৰ বাবে ৰাওনা হয় ।